# অবনৰী

## দেৱৰাজ মিলি

(১)

শীতল বাবেই তোমাৰ নাম
কুঁহিপাত কুমলীয়া ধুনীয়া
অবনৰী

তোমাৰ মোহত বন্দী ৰীগি-ৰীগাম
পুৰাকথা হৈ এদিন আজোককা আহিছিল
কপাহৰ গুটি বনকুকুৰাৰ পোৱালি দুটি
আৰু এয়া ঘৃণাসুঁতি
ইয়াতে চাপিছিল সোণোৱালী নাও
ৰূপোৱালী পালতৰা
নৈৰ শীতল বতাহ-ছাটি, নৈৰ মাছ-পুঠী, হৈ-গুদু খেলা কাৰপুমপুলি ৰাতি
এই অতীত ঘাট
ডাৱৰ ধূসৰ বাট
জংকি ক'ত পানেই ক'ত
চাপৰিয়ে চাপৰিয়ে অইনিঃতম হৈ
উপচি আছে মাথোঁ অমৰ প্ৰেমৰ দ্যুতি অবনৰী

(২)

আচিন অবনৰী
মিংমাং গাঁৱত মোৰ মীঃনামৰ ঘৰ
এইবাৰ লৃগাঙত কথা দি থৈছোঁ
গাহৰি পোৱালিকেইটা নোদোকা হ'লেই পলুৱাই আনিম জখলা বগাই
কাৰ্চিন-কাৰ্তাঙক সাক্ষী কৰি কেঃদাং ফুলা ৰাতি
মন-নমনা দূৰৈৰ পৰা দঃঞি-পঃলই পঠিয়াব শুভেচ্ছাৰ ৰিঃবি-গাচৗং

আজোককাৰ পৰা মোলৈ
হিয়াই-সিৰাই বৈ থকা এসোঁতা তেজৰ নাম অবনৰী

(৩)

এই বাটেদিয়েই নিগৰি আহে
আদিম শীতলতা ৰ'দৰ গান আৰু
মাটিৰ প্ৰাৰ্থনা
তুমি নৈ বাবেই
মই নৈপৰীয়া
অবনৰী
অবনৰী

কবিতাটোত ব্যৱহৃত মিচিং শব্দসমূহৰ অসমীয়া অৰ্থ—
অবনৰী ঃ সোৱণশিৰী নৈ।
ৰীগি-ৰীগাম ঃ মিচিং লোকবিশ্বাস অনুসৰি দেৱতাসকলৰ বাসস্থান।
আচিন ঃ হিয়া।
মীঃনাম ঃ প্ৰিয়জন, আপোনজন।
কাৰপুম্পুলি ঃ থুপিতৰা।
অইনিঃতম ঃ প্ৰিয়জনক লৈ গোৱা মিচিং লোকগীত।
কাৰ্চিন-কাৰ্তাং ঃ সৃষ্টিকৰ্তা।
কেঃদাং ঃ কপৌফুল।
দঃঞি-পঃল ঃ সূৰ্য-চন্দ্ৰ (মিচিংসকলে সূৰ্যক মাতৃ আৰু চন্দ্ৰক পিতৃ জ্ঞান কৰে)।
ৰিঃবি-গাচৗং ঃ মিচিংসকলৰ জাতীয় চাদৰ।

# ভাইৰাছ

## ড° চিত্ৰজিৎ শইকীয়া

শেষ উশাহকণ থকালৈকে ধৰাৰ মমতা জীয়াই থাকে
জীয়াই থকালৈকে উশাহ অমূল্য

মৃত্যুত অমূল্য উশাহ মূল্যহীন

জীৱিত কালত সকলোৰে কিবা নহয় কিবা মূল্য থাকে
ভাইৰাছহে জীৱিত কালতো মূল্যহীন

মানুহে গিজগিজাই থকা ধৰাতো অলেখ ভাইৰাছ
এটাতকৈ আনটো প্ৰতাপী
অথচ মূল্যহীন

মূল্যহীনতাৰো মূল্য প্ৰতিপন্ন কৰি ভাইৰাছে কাঢ়ে জীৱন
মূল্যৱান জীৱনে নতশিৰ হৈ ভাইৰাছক দিয়ে মূল্য

মোল-অমোলৰ দ্বন্দ্ব চলি থাকে নিৰন্তৰ

ভাইৰাছেৰে যুঁজিবলৈ জীৱনে আশ্ৰয় লয় ভেকছিনৰ
ভেকছিনো কি
ভাইৰাছৰে আন এটা প্ৰজাতি

বঙহে বঙহৰ লগত লগা যুঁজখন
জীৱনে জীয়াই থকালৈকে চায়

ভণ্ডামিয়ে কলুষিত কৰা সমাজখনতো কত যে ভাইৰাছ

ভাইৰাছৰ সমুখত জীৱন যেন এক প্ৰহসন

উশাহ থকালৈকে জীৱন চলি থাকে
ক্ৰমশঃ
জীৱনে ভাইৰাছৰ সৈতে সহবাস কৰে
স্বাভাৱিকভাৱে...

**ঠিকনা ঃ**
**ৰৌচন আলি,** সৰুপালেঙী গাঁও, ডাক ঃ দিচাংঘাট (ৰজাবাৰী)-৭৮৫৬৭২, শিৱসাগৰ, ফোন ঃ ৯১০১২১১২৩২
**জুৰি মহন্ত,** সোণাৰি সূৰুয নগৰ, চৰাইদেউ, ফোন ঃ ৯৩৬৫০৪৫৯২৪
**প্ৰাঞ্জল আবিৰ দাস,** নঙলামৰা গাঁও, ডাক ঃ নঙলামৰা তিনিআলি-৭৮৫৬৭৪, শিৱসাগৰ, ফোন ঃ ৯৫৭৭০৩২৬৫৫
**দেৱৰাজ মিলি,** ৰাওনামুখ, গহপুৰ-৭৮৪১৬৯, ফোন ঃ ৬০০১৪৭১০৮৭, e-mail : dvrjml@gmail.com
**ড° চিত্ৰজিৎ শইকীয়া,** সহকাৰী অধ্যাপক, অসমীয়া বিভাগ, দুলীয়াজান মহাবিদ্যালয়, দুলীয়াজান-৭৮৬৬০২, ফোন ঃ ৭০০২৪৮৪৫২২, e-mail : chitrajitsaikia@gmail.com